# REGIONAL NEWS UNIT
AKASHVANI GUWAHATI
0000000000

**Date : 26-AUG-2026**
**Time : 1800 PM**

## ASSAMESE EVENING BULLETIN
**:::::::::::::::::::::::::::::::::::::::::::::::**

১। নেপালৰ আকস্মিক বানত ১০৫গৰাকী ভাৰতীয় নাগৰিক সন্ধানহীন। ভাৰতীয় দূতাবাসৰ জৰুৰীকালীন নম্বৰ মুকলি।

২। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলৰ ৬০ দিনীয়া বিস্তৃত আই ই চি অভিযান মুকলি।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আজি মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত মেধাৱী শিক্ষাৰ্থীক উচ্চ শিক্ষা সাহায্য আঁচনিৰ এককালীন সাহায্য বিতৰণ।

**আৰু**

৪। বিশ্ব নবী হজৰত মহম্মদৰ জন্ম দিন উপলক্ষে ঈদ মিলাদ-উন-নবীৰ লগত সংগতি ৰাখি ৰাজ্যজুৰি ফাতেহা-দোৱাজ-দহম উদযাপন।

০০০০০

আজি পুৱা নেপালৰ ভোটকোশী নদীত অহা আকস্মিক বানে ৰাছোৱা অঞ্চল বিধবস্ত কৰাৰ পাছত চুবুৰীয়া দেশখনত ১০৫গৰাকী ভাৰতীয় নাগৰিককে ধৰি ৩৮৪জন পৰ্যটক সন্ধানহীন হৈ আছে। নেপাল পৰ্যটন পৰিষদৰ তথ্য অনুযায়ী পৰ্যটকসকলৰ ভিতৰৰ ৯৩গৰাকী নেপালী নাগৰিক। ভাৰতৰ বাদেও অষ্ট্ৰেলিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, মালয়েছিয়া, দক্ষিণ আফ্ৰিকা আৰু নেডাৰলেণ্ডছৰ নাগৰিক এই বানত সন্ধানহীন হৈ আছে বুলি পৰিষদে জানিবলৈ দিছে। অৱশ্যে এই পৰিসংখ্যা প্ৰাৰম্ভিক বুলি স্পষ্ট কৰি বিভিন্ন পৰ্যটন সংস্থা আৰু স্থানীয় প্ৰশাসনীয় গোটৰ সহযোগত পৰ্যটন পৰিষদে অচিৰেই এই সন্দৰ্ভত সঠিক তথ্য আগবঢ়াব বুলি অৱগত কৰে। পৰ্যটন পৰিষদে পৰ্যটক আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে জৰুৰীকালীন যোগাযোগ নম্বৰ প্ৰকাশ কৰিছে। ট'ল ফ্ৰী নম্বৰ ১২৩৪, হটলাইন ১১৪৪ আৰু পৰ্যটন আৰক্ষীৰ নম্বৰ ৯৮৫১২৮৯৪৪৫ৰ জৰিয়তে বান ক্ষতিগ্ৰস্তসকলৰ বিষয়ে তথ্য লাভ কৰিব পৰা যাব। ইয়াৰ লগতে পৰ্যটক তথা তেওঁলোকৰ শুভাকাংক্ষীসকলক যথাসম্ভৱ সুস্থিৰতা আৰু চৰকাৰী মাধ্যমৰ জৰিয়তে লাভ কৰা সঠিক তথ্যৰে আগবাঢ়িবলৈ নেপাল পৰ্যটন পৰিষদে অনুৰোধ কৰিছে। অভূতপূৰ্ব জৰুৰীকালীন পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহে ৰাছোৱা, নুৱাকোট, ধাদিং, গোৰ্খা আৰু চেটৱানকে ধৰি প্ৰভাৱিত অঞ্চলসমূহৰ যুক্তৰাষ্ট্ৰীয় সংসদীয় সদস্যসকলৰ সৈতে আলোচনা কৰে। এই আলোচনাত বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ তথা সাহায্য অভিযানত গুৰুত্ব আৰোপ কৰা হয়। শ্ৰীশ্বাহে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা পৰিষদৰ সৈতেও এখন বৈঠকত মিলিত হয়।

কাঠমাণ্ডুত থকা ভাৰতীয় দুতাবাসে ভাৰতীয় নাগৰিকসকলক সহায় কৰাৰ বাবে দুটা জৰুৰীকালীন নম্বৰ মকুলি কৰিছে। বানপীড়িত ভাৰতীয়ই ৯৭৭৯৮৫১৩১৬৮০৭ আৰু ৯৭৭৯৭০৯১০৭৫০০ নম্বৰ ফোন নম্বৰলৈ ফোন কৰিব পাৰিব।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত এইচ আই ভি সন্দৰ্ভত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ৰাজ্যৰ প্ৰতিখন জিলাত আজিৰে পৰা ৬০ দিনীয়া বিস্তৃত আই ই চি অভিযান আৰম্ভ কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এই অভিযান মুকলি কৰে। অনুষ্ঠানত সাংসদ যোগেন মহন, চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক চক্ৰধৰ গগৈৰ লগতে জিলা আয়ুক্ত বিক্ৰম কৈৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অতিৰিক্ত সচিব মুনীন্দ্ৰ নাথ ঙাটেকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শ্ৰীসিংহলে কয়, যে এইচ আই ভি সংক্ৰমণৰ বিভিন্ন দিশ সন্দৰ্ভত সজাগতা সৃষ্টি তথা এইডছত আক্ৰান্ত লোকৰ প্ৰতি বৈষম্য দূৰ কৰা, এইচ আই ভি আৰু এইডছ্ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন বিষয়ক জ্ঞানৰ প্ৰসাৰ, ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰণ কাৰ্য্যসূচীৰ অধীনৰ অন্যান্য সেৱা আদিৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱাৰ বাবে দুমাহজোৰা কাৰ্য্যসূচী আৰম্ভ কৰা হৈছে।

-বাইট(সিংহল)-

আজিৰ অনুষ্ঠানত আই ই চি অভিযান সন্দৰ্ভত এখন চমু তথ্যচিত্ৰ প্ৰদৰ্শনৰ উপৰি সাংস্কৃতিক কাৰ্য্যসূচী অনুষ্ঠিত হয়।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মৰাণ স্বায়ত্বশাসিত পৰিষদৰ উদ্যোগত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ শিক্ষা বিভাগৰ উচ্চ শিক্ষা সাহায্য আঁচনিৰ অধীনত মেধাবী শিক্ষাৰ্থীসকলক ১০ হাজাৰ টকাকৈ এককালীন সাহায্য বিতৰণ কৰে। তিনিচুকীয়া জিলাৰ মানৱ কল্যাণ পূজা ভৱনত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ, সাংসদ প্ৰদান বৰুৱা, বিধায়ক বলীন চেতিয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শ্ৰীসোণোৱালে শিক্ষাৰ্থীসকলৰ উচ্চ শিক্ষাৰ সপোন পূৰণৰ দিশত এই আৰ্থিক সাহায্যই কিছু পৰিমাণে হ'লেও সকাহ দিব বুলি আশা প্ৰকাশ কৰে।

-বাইট-

শ্ৰীসোণোৱালে কয়, যে যুৱ প্ৰজন্মক জ্ঞান, শিক্ষা আৰু দক্ষতাৰে সমৃদ্ধ কৰি এখন আত্ম-নিৰ্ভৰ, বিকশিত আৰু শক্তিশালী ভাৰত গঢ়ি তোলাই হৈছে চৰকাৰৰ লক্ষ্য। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি ডিব্ৰুগড়ত কাৰ্য্যবাহী দণ্ডাধীশ আৱাসিক চৌহদ প্ৰকল্পৰো উদ্বোধন কৰে। বিভিন্ন বিষয়াসকলৰ বাবে উন্নত আৱাসিক সুবিধা নিশ্চিত কৰাৰ জৰিয়তে তেওঁলোকক জনসেৱাৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ উৎসাহিত কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে জিলাখনৰ প্ৰশাসনিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত এই সংযোজন নিশ্চিতভাৱে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰে।

০০০০০

গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ নেঘেৰীবিলত মঙলবাৰে নিশা সীমান্তক লৈ সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিৰ পাছত আজিও পৰিস্থিতি স্বাভাৱিক হোৱা নাই। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে, নেঘেৰীবিলৰ স্থানীয় ৰাইজে নাগালেণ্ডৰ মিকিৰাং আৰু লোগায়ুং বস্তিৰ চেয়াৰমেনক আলোচনাৰ বাবে আমন্ত্ৰণ জনাবলৈ সমবেত হোৱাৰ সময়তে যোৱা নিশাৰ ঘটনাত জড়িত দুজন নগা ব্যক্তি ঘটনাস্থলীত উপস্থিত হয়। বন বিভাগৰ কৰ্মীৰ সন্মুখতে প্ৰথমে বাক বিতণ্ডা আৰু পৰৱৰ্তী সময়ত হতাহতিৰ ঘটনা সংঘটিত হয়। খবৰ পোৱা মাত্ৰেই চি আৰ পি এফ আৰু মেৰাপানী আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাত নগা লোক দুজন আঁতৰি যায়। উল্লেখযোগ্য যে ২ নম্বৰ নেঘেৰীবিলৰ ভূমি নাগালেণ্ডৰ বুলি এটা সংগঠনে দাবী কৰাৰ পাছতে অঞ্চলটোত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। বৰ্তমান অঞ্চলটোত কোনো হিংসাত্মক ঘটনা যাতে সংঘটিত নহয় তাৰ বাবে জিলা প্ৰশাসনৰ লোক, আৰক্ষী, বন বিভাগ আৰু চি আৰ পি এফ বাহিনীয়ে পৰিস্থিতি পৰ্যবেক্ষণ কৰি আছে।

০০০০০

শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু সুৰমা ফাউণ্ডেছনৰ সহযোগত আজি উত্তৰ-পূৰ্ব ভাৰতৰ সীমান্ত আৰু সীমা প্ৰয়োগ ঃ প্ৰত্যাহ্বান আৰু সুযোগ শীৰ্ষক এখন সন্মিলন অনুষ্ঠিত হয়। অনুষ্ঠানত উত্তৰ-পূৰ্ব ভাৰতৰ সীমান্ত, ইতিহাস, প্ৰব্ৰজন, আৰু নিৰাপত্তাজনিত চিন্তাকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। তদুপৰি ভাৰত ম্যানমাৰ সীমান্ত, অসমৰ আঞ্চলিক পৰিচয়, বিভিন্ন জনগোষ্ঠীৰ ওপৰত সীমান্তৰ প্ৰভাৱ আদিৰো পৰ্যালোচনা কৰা হয়। অনুষ্ঠানত বিশিষ্ট বক্তা হিচাপে অংশ লৈ অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক ৰাজীৱ মোহন পন্থই ১৮৫৭ চনৰ মালেগড় কাণ্ড বা লাটুৰ যুদ্ধকে ধৰি নামনি অসমৰ ইতিহাসৰ কম পৰিচিত অধ্যায়সমূহত আলোকপাত কৰে। তেওঁ কয়, যে অসম বিশ্ববিদ্যালয়ে সুৰমা ফাউণ্ডেছনৰ সৈতে একেলগ হৈ এনে ঐতিহাসিক ঘটনাৰ বিষয়ে অধিক সজাগতাৰ সৃষ্টি কৰিব। অনুষ্ঠানত মেজৰ জেনেৰেল কুলবীৰ সিং, অধ্যাপক নৰনিপা ভট্টাচাৰ্য্য, ড০ বিনায়ক দত্ত, টি টি হাউকিপ, ড০ অনুপ শেখৰ চক্ৰৱৰ্তীকে ধৰি কেইবাগৰাকী অধ্যাপক উপস্থিত থাকে।

ooooo

ধেমাজিৰ ভেহপৰা গাঁও নিবাসী কণ্ঠশিল্পী, সংগীত পৰিচালক মাধুৰ্য্য বুঢ়াগোহাঁইৰ কালি নিশা দিল্লীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৯ বছৰ। পছোৱা, সোণালী, ৰাংঢালি আদিকে ধৰি ৯০ দশকৰ বহু জনপ্ৰিয় বিহু গীতৰ কেছেটত প্ৰায় ৩০০ৰো অধিক বিহুগীত আৰু বিহুসুৰীয়া আধুনিক গীতত কণ্ঠদান কৰা শিল্পীগৰাকীয়ে প্ৰায়বোৰ গীত নিজে ৰচনা আৰু সুৰ কৰিছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

ooooo

সমাপ্ত